Assam Judicial Service Grade III (Mains) 2018

Paper V · Assamese · compulsory paper

৫০ নম্বৰ · ২ ঘণ্টা · ৪ ডিচেম্বৰ ২০১৮

1. তলৰ যিকোনো এটা বিষয়ৰ ওপৰত ন্যূনতম ১৫০ টা শব্দৰ ভিতৰত এখন ৰচনা লিখা। (ক) ৰাষ্ট্ৰীয় নগৰ জীৱিকা অভিযান (NULM) (খ) মহিলা সবলীকৰণত ন্যায়পালিকাৰ ভূমিকা (গ) গোপনীয়তাৰ অধিকাৰ মৌলিক অধিকাৰ (৫)

2. নিম্নলিখিত জতুৱা-ঠাঁচসমূহৰ যিকোনো চাৰিটাৰ অর্থ লিখি বাক্য ৰচনা কৰা: (ক) বাঘৰ চকুৰে চা (খ) আঁঠুৰ মূৰত সোণ বিচৰা (গ) আভুৱা ভাঁৰ (ঘ) পানীৰ তলৰ কাঁইট (ঙ) জয়দেউ কাকুতি (চ) হাড়ক মাটি কৰ (৪)

3. চমু টোকা লিখা (যিকোনো দুটাৰ) — (ক) আধাৰ (AADHAR) (খ) নাগৰিকত্ব সংশোধনী বিধেয়ক (গ) পণ্য আৰু সেৱা কৰ (GST) (২ × ২ = ৪)

4. তলত দিয়া শব্দবোৰৰ দুটাকৈ সমার্থক শব্দ লিখা — (ক) তৰু (খ) ক্ৰোধ (গ) নেজ (ঘ) সৰোজ (১/২ × ৪ = ২)

5. খালী ঠাই পূৰ কৰা — (ক) ____ পিছলে পাৰ, সজ্জনৰো বুৰে নাও। (খ) আপদৰ মাত, ____ ভাত। (গ) কণা হাঁহক ____ দিয়া। (ঘ) খাই ____ ডালত উঠিল, কাঠি চেলেকাৰ মৰণ মিলিল। (৪)

6. তলত দিয়া শব্দবোৰৰ বিশেষণ ৰূপ লিখা — (ক) পিশাচ (খ) দিন (গ) তালু (ঘ) সংকেত (১/২ × ৪ = ২)

7. তলত দিয়া সমোচ্চাৰিত শব্দবোৰৰে সম্পূর্ণ অর্থ প্ৰকাশ হোৱাকৈ একোটাকৈ বাক্য ৰচনা কৰা — (ক) কুলী, কুলি (খ) কেৰাহি, কেৰাহী (গ) কুল, কূল (৩)

8. তলত দিয়া শব্দবোৰৰ ইংৰাজী পৰিভাষা লিখা — (ক) অনুজ্ঞা পত্ৰ (খ) প্ৰস্তাৱনা (গ) দেৱলীয়া (ঘ) মোক্তাৰনামা (ঙ) পাৰপত্ৰ (চ) অনিয়ম (ছ) পদেন (জ) মহাভিযোগ (ঝ) অনুবিধি (ঞ) প্ৰতিবেদন (ট) অৱমাননা (ঠ) কেন্দ্ৰীয় চোৰাংচোৱা বিভাগ (১/২ × ১২ = ৬)

9. তলত দিয়া শব্দবোৰৰ অসমীয়া পৰিভাষা লিখা — a. Copyright b. Ad hoc c. Attorney General d. Redemption e. Sinking Fund f. Suffrage g. Jurisdiction h. Autopsy (১/২ × ৮ = ৪)

10. তলত দিয়া শব্দবোৰৰ বিপৰীতার্থক শব্দ লিখা — (ক) ব্যষ্টি (খ) অন্তর্মুখী (গ) পূর্বাৰ্ধ (ঘ) জীর্ণ (ঙ) কৃশ (চ) অভিশপ্ত (১/২ × ৬ = ৩)

11. এটা শব্দত লিখা — (ক) মহাপুৰুষ শংকৰদেৱে সাত বৈকুণ্ঠৰ পট আঁকি কৰা ভাওনা (খ) যি সহ্য কৰিব পাৰে (গ) জেপৰ পৰা মনে মনে টকা আদি নিয়া চোৰ (ঘ) যাক কল্পনা কৰিব নোৱাৰি (ঙ) মাটিৰ নিচেই সৰু টেকেলি (১ × ৫ = ৫)

12. তলৰ অনুচ্ছেদটো অসমীয়ালৈ অনুবাদ কৰা। Our sun and the nearby stars are all part of a vast collection of stars called the Milky Way galaxy. For a long time it was thought that this was the whole universe. It was only in 1924 that the American astronomer Edwin Hubble demonstrated that ours was not the only galaxy. There were, in fact, many others, with vast tracks of empty space between them. In order to prove this he needed to determine the distances to these other galaxies. We can determine the distance of nearby stars by observing how they change position as the Earth goes around the sun. But other galaxies are so far away that, unlike nearby stars, they really do appear fixed. Hubble was forced, therefore, to use indirect methods to measure the distances. — Stephen Hawking (৮)